# অনুশীলন

## অনলাইন সাহিত্য পত্ৰিকা

দ্বিতীয় বছৰ, প্ৰথম সংখ্যা
এপ্ৰিল, ২০২১

সাহিত্য বিভাগ
দমদমা মহাবিদ্যালয় ছাত্ৰ একতা সভা
দমদমা মহাবিদ্যালয় অধ্যয়ন মঞ্চ

সম্পাদক
চিমা মনি দাস



# অনুশীলন

অনলাইন সাহিত্য পত্ৰিকা
দ্বিতীয় বছৰ, প্ৰথম সংখ্যা
এপ্ৰিল, ২০২১


**প্ৰকাশক**

দমদমা মহাবিদ্যালয় অধ্যয়ন মঞ্চ

**পৃষ্ঠপোষক**

ড° সুৰঞ্জন শৰ্মা
অধ্যক্ষ
দমদমা মহাবিদ্যালয়

**সম্পাদক**

**চিমা মনি দাস**

**তত্ত্বাৱধায়ক**

চন্দনজ্যোতি চুতীয়া

**সহযোগী**

নিভা দাস, ডলি কলিতা, পম্পী নাথ
হিমাক্ষী দাস, কাশ্মিৰী ভৰালী, বৰষা কলিতা
আকাংক্ষা মালাকাৰ, হিয়া মজুমদাৰ, তপন দাস,
বৰষা কলিতা, দুলুমনি কলিতা, নৱনীতা মালাকাৰ
লীনা চুলতানা, জিতু মনি দাস, আজাহাৰ হুছেইন
পাকিজা বেগম, নিহা দাস, চিণ্টু দাস, গগন কলিতা

ডিটিপি আৰু অংগসজ্জা ঃ **ভাস্কৰ ভূঞা**


## এই পত্ৰিকা প্ৰকাশৰ উদ্দেশ্য...

- দমদমা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীল কৰ্মৰ প্ৰতি অনুপ্ৰেৰণা যোগোৱা।
- ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ বাবে এখন মঞ্চ তৈয়াৰ কৰা।

এয়া... হাতত কলম
তুলি লোৱাৰ অনুশীলন...

বেটুপাতত Salvador Daliৰ
এখন বিখ্যাত চিত্ৰকৰ্ম দিয়া হৈছে।

# কৃতজ্ঞতা

**যিসকলে আমাক সহায়-সহযোগিতাৰে অনুপ্ৰাণিত কৰিলে...**

## এই সংখ্যাত আছে —


- **কবিতা**
- বৰষা কলিতা, হিমাক্ষী দাস, বৰষা ৰাণী কলিতা, নয়নমনি দাস, কৰিশ্মা বৰুৱা, বনাশ্ৰী কলিতা, ৰিমা কলিতা, পম্পী নাথ, প্ৰেৰণা ডেকা, গগন কলিতা, মৌচুমী দাস, হিয়া মজুমদাৰ, জয়শ্ৰী কলিতা, চিমা মনি দাস, চন্দন কলিতা, জিণ্টী দাস, অংকুৰ মজুমদাৰ

- ঘাত-প্ৰতিঘাতৰ মাজেৰে জীৱনৰ সুখ-দুখ ।। গল্প
- ডলি কলিতা

- সুস্থ সমাজ গঠনত মাতৃৰ ভূমিকা ।। প্ৰবন্ধ
  হিয়া মজুমদাৰ

- শেষ পৃষ্ঠা
- চন্দনজ্যোতি চুতীয়া

- আলোকচিত্ৰ



# সম্পাদকৰ কথা

## দুৰ্নীতি আৰু আজিৰ সমাজ

চিমা মনি দাস

### দুৰ্নীতি ঃ

তিনিটা আখৰেৰে গঠিত এটি নেতিবাচক শব্দ। এই দুৰ্নীতি শব্দৰ আঁৰত লুকাই আছে বৃহৎ বৃহৎ আৱৰ্জনা। যাক এতিয়ালৈকে কোনেও কোনো ধৰণে নিৰ্মূল কৰিব পৰা নাই। বৰঞ্চ ইয়াৰ পুলি-পোখা দিনকদিনে বাঢ়িছেহে। আজি দেশ বা ৰাজ্যৰ সকলো দিশতেই কেৱল দুৰ্নীতি-দুৰ্দশা। নাই ক'তো শান্তিৰ ছায়া। কোনোবাই যদি চৰকাৰ গঠনৰ উদ্দেশ্যেই আকৌ কোনোবাই চাকৰিৰ উদ্দেশ্য আকৌ আন কোনোবাই নিজ নিজ স্বাৰ্থৰ বাবে প্ৰতি দিন প্ৰতি নিশাই দুৰ্নীতি চলাই আহিছে। সৌ তাহানিতে গঢ়ি থৈ যোৱা সমন্বয়ৰ একতা আজি যেন শূণ্য। মাথোঁ ভৰি আছে ভেদাভেদ তথা প্ৰতিশোধ। যিয়ে তিলতিলকৈ ধ্বংস কৰি পেলাইছে মানুহৰ মাজত থকা মানৱতা। যাৰ ফলত বিচ্ছিন্ন হ'বলৈ ধৰিছে দেশ অথবা ৰাজ্য।  আজিৰ পৰিস্থিতি ইমানেই ভয়ংকৰ হৈ পৰিছে যে, যাকে ৰক্ষক বুলি ভৰা হয়, সিয়ে আচলতে ভক্ষকৰ স্বৰূপ বহন কৰে। য'ত বিপদত পৰিব লগা হৈছে একাংশ নিম্ন শ্ৰেণীৰ লোক, ভোগ কৰিব লগা হৈছে বহুতো যন্ত্ৰণা। আচলতে মানুহে বিচৰা ধৰণে একোৰেই পোৱা নাই, অথচ যিবোৰ বিচৰা নাই, সেইবোৰ গধূৰ গধূৰ বোজা মানুহৰ ওপৰত জাপি দিয়া হৈছে। ইমানতো কিন্তু দুৰ্নীতিৰ অন্ত পৰা নাই। ইয়াৰ প্ৰভাৱ একো একোখন সমাজতো স্পষ্টকৈয়ে দেখিবলৈ পোৱা যায়।

### ডাইনী ঃ

অতীজত নাৰীক 'ডাইনী' সজাই অত্যাচাৰ কৰি জীয়াই জীয়াই জ্বলাই মাৰিছিল। ইয়াৰ প্ৰধান কাৰণ আছিল মানুহৰ মাজত থকা অন্ধবিশ্বাস, য'ত কেৱল বলি হ'বলগীয়া হৈছিল নাৰীসকল। সকলো সমস্যাৰ প্ৰভাৱ প্ৰধানতে নাৰী জীৱনত বেছিকৈ দেখিবলৈ পোৱা যায়। যদিও ১৯৪৭ চনত আমাৰ দেশে স্বাধীনতা লাভ কৰিলে, তাক কিন্তু প্ৰকৃত স্বাধীনতা বুলি ক'ব নোৱাৰি। কাৰণ সেই দিনৰেপৰা নাৰী জাতিটোৱে আজি পৰ্যন্ত নিজকে স্বাধীন হিচাপে অনুভৱ কৰিব নোৱাৰিলে। কোনোবা যদি গৃহবন্দী হ'ল আকৌ কোনোবা ধৰ্ষণৰ বলি হৈ পৰিয়ালৰ সন্মানৰ বাবে আত্মহত্যা কৰি মৃত্যুবৰণ কৰিলে। তথাপিও তেওঁলোকে ন্যায় নাপালে।

### যৌতুক ঃ

বিজ্ঞান চিন্তাৰ প্ৰসাৰ ঘটাত বৰ্তমান সমাজত 'ডাইনী' হত্যাৰ প্ৰভাৱ কমিছে যদিও আন এটি মানসিক অত্যাচাৰে কিন্তু প্ৰৱলভাৱে গা কৰি উঠিছে। সেয়া হৈছে যৌতুকৰ বাবে নাৰীক কৰা অত্যাচাৰ। এই অত্যাচাৰ দিনক দিনে বাঢ়ি আহিছে আৰু কোনো আইনে এই অত্যাচাৰক নিৰ্মূল কৰিবপৰা নাই।  যাৰ ফলত বহুতো নাৰীৰ জীৱন ধ্বংস হৈ পৰিছে আৰু বহুতে এই অত্যাচাৰক সহ্য কৰিব নোৱাৰি মৃত্যু বৰণ কৰিব লগা হয়।

সমাজত ঘটি থকা এই প্ৰথাবোৰক আমি দুৰ্নীতি বুলি একেমুখে স্বীকাৰ কৰিব পাৰোঁ। ক'বলৈ গ'লে আজিৰ দেশ, ৰাজ্য, অঞ্চল, সমাজ যিমানে প্ৰগতিৰ ফালে আগবাঢ়িব তাতকৈ বেছি আগবাঢ়িছে দুৰ্নীতিৰ ফালে। যিদিনা দুৰ্নীতি শব্দটো নাইকীয়া হ'ব, সিদিনা দেশ, ৰাজ্য নহয়, সমগ্ৰ  পৃথিৱীখনেই সুন্দৰ আৰু পৰিচ্ছন্ন হৈ পৰিব।

# ক বি তা

## কবিতা এটি লিখা নহ’ল

*বৰষা কলিতা, তৃতীয় ষাণ্মাসিক*
*অসমীয়া বিভাগ*

তোমাৰ বাবে
আজি আগ্ৰহেৰে বৈ আছোঁ
বিচাৰিছোঁ তোমাক
মোৰ অন্তৰাত্মাত

কিম্বা মোৰ মামৰে ধৰা মগজুত
তোমাৰ অস্তিত্ব ভালদৰে বুজোঁ
শৰতৰ স্বপ্নীল আকাশতো
তোমাক বিচাৰোঁ

বিচাৰিছোঁ তোমাক নিৰ্জনতাত, ছন্দ মিলাই
বুজাব নোৱাৰোঁ তোমাৰ প্ৰতি থকা প্ৰেম

আখৰে আখৰে মালা গাঠিলোঁ
তৎসত্বেও নহ’লা তুমি আৱিৰ্ভাৱ
তুমিয়ে কবিতা।।



## মানৱতাৰ জয়গান

*হিমাক্ষী দাস, প্ৰথম ষাণ্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

প্ৰতিজন মানুহ
এই ধৰাৰ
সৃষ্টিকৰ্তা ঈশ্বৰৰ আপোন!
ভেদা-ভেদ, উচ্চ-নীচ
সবাৰে উৰ্দ্ধত মানৱতা
উপলব্ধি নাই যেন
সপোন একোটা ! ‘মই’
কৃত্ৰিমতাৰ পৰা
আৰ্তনাদৰ পৰা
বহু স্তৰীভূত সমাজৰ
ভেদাভেদৰ পৰা
শৌৰ্য্য-বীৰ্য্য, অনুৰাগ-বিৰাগ
প্ৰতিযোগিতাৰ পৰা
আঁতৰলৈ যাব বিচাৰিছোঁ
য’ত শুনিম কেৱল
বাঁহীৰ সুৰত
নিশাৰ জোনৰ স্নিগ্ধতা
আৰু শুনিম কেৱল
মানৱতাৰ জয়গান।।



# মাৰ বাবে কিছু কথা

*বৰষা  ৰাণী কলিতা, প্ৰথম ষাণ্মাসিক*
*অসমীয়া বিভাগ*

মা তই সাৰে আছনে
নামাত যে মোক, বেয়া পাইছ
মোৰ কি ভুল মা
কামটো হওঁতে হওঁতে
সন্ধিয়া হৈ গ'ল
ভাবিছিলোঁ ঘৰলৈনো কিমানকণ বাট
গম পোৱা নাছিলোঁ অ' মা
সেই বাটতেই যে মোৰ...
বৰ কষ্ট মা
মোক সিহঁতে ৰখাইছিল মা
কিবাকিবি সুধিছিল
আৰু হঠাৎ
মোৰ ওপৰত জপিয়াই পৰিছিল
বহুত কষ্ট পাইছোঁ অ' মা
তোক ইমান চিঞৰিছোঁ
তই কিয় নুশুনিলি
মই ভাগৰি গ'লোঁ মা
মা উঠচোন
কান্দি কান্দি তই শুকাই গৈছ
কিবা এটা খাচোন মা
বুকুত সাহস বান্ধ ওলাই আহ মা
চিঞৰি চিঞৰি প্ৰতিবাদ কৰ্ মা
কৈ দে সমাজখনক
মোৰজনীটো গ'লেই
আপোনালোকৰবোৰক
অন্তত সাৱধানে ৰাখক
নহ'লে মানৱৰূপী পশুবোৰে
সকলোবোৰ শেষ কৰি পেলাব মা
মই জানো তোৰ লগত কোনো নাহে
ভয় কৰে সিহঁতলে, আইনলে
জানোচা আইনৰ সুৰুঙাৰে
ওলাই যাই অপৰাধী
মা মোৰ বিশ্বাস আছে সময় আহিব
সকলোবোৰ সলনি হ'ব
য'ত কেৱল নাৰীৰ ৰাজত্ব চলিব
পুৰুষৰূপী একাংশ দানৱক নিঃশেষ কৰিব
অ' মা মই যাওঁ দে
তোক এবাৰ চাবলৈ বৰ মন আছিল
সেই হাঁহিমুখীয়া মুখখন
তই দেউতাৰ যত্ন ল'বি মা
সকলোৰে লগত মিলিজুলি থাকিবি।।

# জীৱন

*নয়নমনি দাস, প্ৰাক্তন ছাত্ৰ*
*অসমীয়া বিভাগ*



জালিকটা বেৰেদি সৰকি অহা জোনাকত সপোনে
পোখা নেমেলে আজিকালি।
পিতলবৰণীয়া হোৰা পিতাৰ কামিহাড়ৰ বিষবোৰ
আইৰ পুখুৰী হোৰা চকুত ধৰা পৰে যদিও
গোসাঁই ঘৰত চাকি জ্বলাই।

চকুৰ পানীৰে মজিয়া লেপে সৰু সৰু সপোনবোৰে!
এসাঁজ তৃপ্তিৰে খাবলৈ কিমান বা টকা লাগে?
চৰকাৰী আঁচনিয়ে ঢুকি নাপায়
যৌৱনতে বেঁকা হোৰা নীলা ওঁঠৰ কথা...

ৰ'দ বৰষুণত দিন হোৱাতকৈ
নিশাৰ সেমেকা গাৰুৰ সেমেকা গোন্ধ বেছি
আপোন আজি
...দীঘল নিশাত হৰিৎ নহয় কোনো ধৰণৰ হাবিয়াস !
কুণ্ডলী পকাবলৈ মনে নকয়।

কিবা পাইছোঁ নে কিবা পাম বুলি ৰৈ থাকিম।
খহি পৰে মাথোঁ পপীয়া তৰাবোৰ!
ৰামধেনু চকুত নপৰা বহু দিন হ'ল...



ক্লান্ত হৃদয়খন পখালোঁ ক'ত?
পুখুৰীত মেটেকাৰ প্ৰয়োভৰ।
দুই এটা কাৰৈ।
পানী শুকালে গাঁতত হাত...
কিজানিবা পাওঁ মাগুৰ-শিঙি অথবা আঃ!
এইটো দেখোন কেঁকোৰা...

বিষবোৰ উজাই।
নিশাবোৰ দীঘল
উদং ডায়েৰীত
আজিও অঁকা নহ'ল জীৱনৰ ছন্দ

# হাঁহি

*কৰিশ্মা বৰুৱা, তৃতীয় ষাণ্মাসিক*
*ইংৰাজী বিভাগ*

ফুটপাথৰ কাষত থকা ল'ৰা-ছোৱালীবোৰৰ
হাঁহিবোৰ সঁচা
বিলাসী গাড়ীৰ পিছত উঠি যোৱাজনৰ
যেন চকু জুৰি সেমেকা
কোনোবা যেন জাৰৰৰ মাজৰ ৰুটি এটুকুৰাতে সুখী
আৰু কোনোবা ফাইভস্টাৰ হোটেলতো ক্লান্ত
হাঁহিবোৰ ধুনীয়া বুলি কোৱাজনৰ আজি চকু সেমেকা
জীৱনত হাৰি নাজাবা বুলি কোৱাজন ব্যৰ্থ
হেৰা! জীৱন জিন্দাবাদ বুলি কোৱাজনে হেনো
যোৱাকালি আত্মহত্যা কৰিলে
হাঁহি, সাহস, আত্মবিশ্বাস যেন আজি শূন্য
টকাৰ মোহত, ক্ষন্তেকীয়া সুখৰ লালসাত প্ৰাস সকলো অন্ধ
পৰিয়াল, পৰিৱেশ কোনোতো নহয় মগ্ন
সফলতা আৰু বাহ্যিকতাৰ পিছত নিস্তব্ধ এই দুনীয়া
সপোনবোৰ ধুনীয়া যদিও বাস্তৱবোৰ বাৰুকৈয়ে ঘুণীয়া



# ক্ৰান্তিকাৰ

*বনাশ্ৰী কলিতা,*
*স্নাতক প্ৰথম ষাণ্মাসিক*

হে সমাজ বিপ্লৱী
তোমাৰ আন এটা নাম ক্ৰান্তিকাৰ
তুমি কৰিলা সমাজৰ
অৱনতিৰ নিষ্কাসন
দাৰুণ মনুষ্যৰ কৰিলা নিবাৰণ
সকলোৰে প্ৰতি তোমাৰ
সমানে দৃষ্টি
সেইবাবে তুমি হৈ ৰ'লা
সকলোৰে কালশতৰু
সকলো সময়তে তুমি
শত্ৰুক কৰা পৰাজয়
তোমাৰ নাই কোনো
সময়ৰ কোনো কালৰ ভয়
কেতিয়াও তোমাৰ নাই শান্তি
তোমাৰ বাবে সকলো
বিপদ-আপদ বনজুই
সেয়ে তুমি সদায় নিথৰ
হৈ ৰ'লা বৈ
তোমাৰ মোহনাত
কেৱল যুদ্ধৰ বাতৰি
এদিন সকলোৰে
তোমাক দিব সহাঁৰি
সকলোৰে ল'ব আদৰি।।

## দেশে আজি বিনাইছে

*ৰিমা কলিতা, পঞ্চম ষাণ্মাসিক*
*অসমীয়া বিভাগ*

হে মানৱ জাতি
দেশৰ আজি কি গতি
দুর্নিবাৰ ভূমিকম্পই আৱৰিছে দেশ
জননীয়ে লৈছে দুর্নীতিৰ বেশ
আজি পৃথিৱীৰ আকাশে-বতাহে
মহামাৰী ক'ৰনাৰ গর্জন
চাৰিওফালে নিষ্পাপ মানৱ দেহত
তুলিছে হত্যা, সন্ত্রাস, ধর্ষণ
মহামাৰী ক'ৰনাই কোঙা কৰিছে দেশ
কিছু পাষণ্ডই লৈছে নৰহত্যাৰ বেশ
মৃত্যুৰ বিননীয়ে ছানিছে আই জননীক
কোনে কৰিব ত্ৰান দেশমাতৃক
মহামাৰীত দেশ আজি অস্থিৰ দিপ্তী
সকলো আজি গৃহবন্দী
তথাপিও ঘূৰাই আনিব পৰা নাই
দেশলৈ স্থিতি
সময় এতিয়া মানৱ জাতিৰ
সংহত অভ্যুত্থানৰ
এন্ধাৰ বিনাশি পোহৰ আনিম
কৰি ল'লোঁ আজি পন
নতুন সাজত সাজিম সোণৰ দেশখন

## এক সংগ্ৰাম

*পম্পী নাথ, তৃতীয় ষাণ্মাসিক*
*অসমীয়া বিভাগ*

জীৱনত বহু দেখিলোঁ বহু শিকিলোঁ
কৰিলোঁ বহুত সংগ্ৰাম
পোৱা নাই এতিয়াও তাৰ
উচিত ফল
কিন্তু ভাগৰা নাই কেতিয়াও
নে ভাগৰি পৰিম কেতিয়াবা
মোৰ দৃঢ় বিশ্বাস
এদিন আমি হ'মেই সফল
সংগ্ৰাম মানেই জীৱন
জীৱন মানেই সংগ্ৰাম
সংগ্ৰাম অবিহনে
জীৱনৰ মূল্য বুজা নাযায়
এয়াই মোৰ দৃষ্টিত এক সংগ্ৰাম





## ৰঙালী বিহু

*প্ৰেৰণা ডেকা, প্ৰথম যাণ্মাসিক*
*অসমীয়া বিভাগ*

চেনেহৰ ৰঙালী বিহু
কঙালীৰ ৰঙেৰে
বসন্ত সুবাসেৰে
কুলিৰ মাতেৰে
কপৌ ফুলৰ গোন্ধৰে
বিহু আদৰিছোঁ

ভোগালী নহয়
কঙালী নহয়
এই বিহু ৰঙালী
মনৰ ৰঙেৰে ভৰা
ঢোল, পেঁপা গগনাৰ
মাতেৰে চৌপাশে
এয়া সাতভনীৰ বিহু

অসমীয়া মন, অসমীয়া প্ৰাণ
এয়া অসমীয়াৰ চেনেহৰ
ৰঙালী বিহু ।।

## হাঁহি

*গগন কলিতা,*
*স্নাতকপঞ্চম যাণ্মাসিক*

মৌনতাৰ আঁৰত লুকাই থকা
শব্দবোৰৰ প্ৰেৰণা তুমি
মোৰ বহুৰঙী সপোনৰ
অনুৰাগৰ অনুভূতি তুমি
পুৱাৰ উদিত সুৰুজ নহ'লেও
আবেলিৰ বেলিৰ মিঠা ৰহন তুমি
মোৰ কবিতাৰ শব্দাৱলীৰ
আঁৰে আঁৰে লুকাই থকা
কল্পনাৰ স্বপ্নালী তুমি
সৌ ৰাতিৰ আকাশখনৰ অধিকাৰী
যিদৰে জোনটি
জিল-মিল তৰাৰ দৰে উজ্বলি থকা
মোৰ অনুভৱৰ অধিকাৰীও
মাথোঁ তুমি।।





# বিষবাষ্প

*মৌচুমী দাস, তৃতীয় ষাণ্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

বৈচিত্র্যময় পৃথিৱী
কোন দিশে সভ্যতাৰ গতি
ভ্ৰষ্টাচাৰী হৈছে পুঁজিপতি
সভ্যসমাজৰ বিশাল অৱনতি
নৈতিকতাৰ নাই স্থিতি

সোলোক ঢোলোক আজি
কৃষকৰ কঁকালৰ গাঁঠি
শস্যৰ নামত কৃত্ৰিম সাৰ
ঘৰে ঘৰে মধুমেহ কেন্সাৰ

অসমৰ সেনাৰ কি দুৰ্গতি
বিষবাষ্পই বেঢ়িছে
অসমীয়াৰ ভেঁটি

কম্পিত মাতৃভূমি কম্পিত ধৰণী
ভীতিগ্ৰস্থ আজি যুগৰ পৰিণতি
কালৰ কুটিল গ্ৰাসত
অনিশ্চিত নৈতিকতাৰ স্থিতি ।।



# মানুহ

*হিয়া মজুমদাৰ, তৃতীয় ষাণ্মাসিক*
*শিক্ষা বিভাগ*

এইখন হেনো মানুহৰ দেশ
সকলো জীৱৰ ভিতৰত মানুহেই হেনো জীৱ শ্ৰেষ্ঠ
কিন্তু মই দেখিছোঁ মানুহেই সকলোতকৈ নিকৃষ্ট

মানুহ হৈয়ো আজিৰ মানুহে মানুহকেই মাৰিছে
কোনোবাই যদি নিজৰ জন্মদিয়া মাতৃগৰাকীক বৃদ্ধাশ্ৰমত থৈছে
কোনোবাই আকৌ নিজৰ সহধৰ্মিনীৰ ওপৰত নিৰ্যাতন চলাইছে
কোনোবাই যদি ধৰ্মৰ নামত মছজিদ, মন্দিৰ ভাঙিছে
কোনোবাই আকৌ ফুলকুমলীআ শিশুকেই ধৰ্ষণ কৰি তৃষ্ণা পলুৱাইছে
সময়ৰ গতিৰ লগে লগে যেন মানুহৰ মনৰ অনুভূতিবোৰ মানুহৰ
মনৰ ভাৱ ধাৰাবোৰ সলনি হৈ গৈছে
মানুহেই মানুহৰ প্ৰধান শত্ৰু হৈ পৰিছে
এয়াই নেকি জীৱশ্ৰেষ্ঠ মানৱ ?
মানুহৰ দেখিছোঁ বিবেক নাই, নাই মানৱীয়তা
আচলতে মানুহতকৈ জীৱ-জন্তুবোৰেই বেছি শ্ৰেষ্ঠ ।।



## তুমি

*জয়শ্ৰী কলিতা, প্ৰথম ষাণ্মাসিক*
*অসমীয়া বিভাগ*

সকলো বোধৰ অনুভূতি তুমি
শুকান উপত্যকাৰ জীপাল শস্য তুমি
মৰুভূমিৰ জীপাল বৃষ্টি তুমি
আৰু সুউচ্চ পৰ্বতৰ শিখৰ তুমি

ভৈয়ামৰ সেউজীয়া অৰণ্য তুমি
নীলা আকাশৰ হেঙুলীয়া ৰহন তুমি
ঘৰমুৱা আকাশৰ পক্ষীৰ কলতান তুমি
আৰু পূৰ্ণিমাৰ নিশাৰ ভৰযৌৱনা জোনটো তুমি

মোৰ সমস্ত আদি-অন্তৰ সুখানুভূতি তুমি
শৰীৰ প্ৰেমময় ৰক্ত ধাৰা তুমি
দিন-প্ৰতিদিনৰ স্বপ্ন স্বৰূপ তুমি
মোৰ জীৱনৰ অনুৰাগ তুমি।।



## মই নাৰী

*চিমা মনি দাস, তৃতীয় ষাণ্মাসিক*
*অসমীয়া বিভাগ*

কাৰোবাৰ জীয়ৰী
মাতৃ যাৰ পৰিচয়
সময়ৰ সোঁতত হয়তো বোৱাৰী

আকৌ ভাতৃৰ মৰম চেনেহত
ওলমি থকা
ময়েই সেই আলসুৱা ভগ্নী

যিয়ে অতীতৰ পৰাই
বৰ্তমানলৈ ধৰি ৰাখিছে
শক্তিৰ সুঁতি

মইয়ে সেই জননী ৰূপী নাৰী
যিয়ে সৌন্দৰ্য বহন কৰি
ৰাখিছোঁ প্ৰতিটো ক্ষণ
জীপাল কৰি তুলোঁ আপোন পৰ

সময়ৰ পৰিৱৰ্তনত সতীত্বৰ প্ৰমাণত
কৰা ধ্বংসাৱলীৰ আহিলা
ময়ে কালী কিম্বা কামাখ্যাদেৱী

অতুলনীয় যাৰ মাতৃস্নেহ
অমূল্য যাৰ পতিব্ৰতা
বহুতো দুখ-কষ্ট যন্ত্ৰণাক পাৰ কৰি
জীৱনত অহা জনেই মই
হয়, সেইগৰাকীয়েই নাৰী মই ।।

# মা

*চন্দন কলিতা, তৃতীয় ষাণ্মাসিক*
*ৰাজনীতি বিভাগ*

মা তুমি মোৰ পৃথিৱী
ঘৰলৈ উভতি আহি যাক বিচাৰি
হাবাথুৰি খাই পৰোঁ
তেৱেঁই মোৰ মা
মই নৰীয়া দেহাত টেবলেট খাই
টোপনিত লালকাল
কিন্তু মোৰ মুখখন চাই গোটেই নিশা
উচুপি থকা মানুহ গৰাকীয়েই মোৰ মা

দিনটোৰ সমস্ত ভাগৰ, সমস্ত ঘটনাৰ বিৱৰণী
যিগৰাকী বান্ধৱীৰ আগত নক'লে
সকলো অসম্পূৰ্ণ যেন লাগে আৰু
তেৱেঁই হৈছে মোৰ মা
কোনটো খং, কোনটো অভিমান
বুজিব পৰা একমাত্ৰ মানুহগৰাকীয়েই
মোৰ মা।।



# মা-দেউতা

*জিণ্টী দাস, তৃতীয় ষাণ্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*

টোপনিৰ পৰা উঠিয়ে তোমাক দেখোঁ মা
তোমাৰ চৰণ চুমিলোঁ
দেউতাৰ লগত থাকি কোলাত বহি
তোমাকেই দেখিলোঁ

কিমান ধুনীয়া তুমি মা
আৰু তোমাৰ ধুনীয়া মুখখনি
ময়ো এদিন তোমাৰ নিচিনাই
সুন্দৰী হম

দেউতাই আঙুলিত ধৰি শিকালে
খোজ দিবলৈ আৰু
এই পৃথিৱীত শিকিলোঁ
মা বুলি মাতিবলে

মা-দেউতাৰ মৰমত ডাঙৰ হ'লোঁ মই
এটা ধুনীয়া জীৱন পালোঁ
বহু মৰম আৰু সন্মান কৰিবলৈ শিকোৱা

অতিকৈ আপোন আৰু মোৰ শ্ৰদ্ধাৰ
মা-দেউতাই এটা সুন্দৰ জীৱন দিলে
সকলোৰে হৃদয়ত থাকিম
মৰমেৰে সকলোকে প্ৰেৰণা দিবলে।।

# যাদুকৰী জোনাক নিশা

*অংকুৰ মজুমদাৰ, তৃতীয় ষাণ্মাসিক*
*ৰাজনীতি বিজ্ঞান বিভাগ*



এই ৰাতি এই জোনাক নিশা, বাজি গ'ল বাৰ
অকলসৰে আছোঁ চোতালত
চাই আছোঁ নাৰিকলৰ পাতত বতাহত উঠা নমা কৰি থকা
কেলেণ্ডাৰৰ ফেব্ৰুৱাৰী মাহৰ পৃষ্ঠা
যেন ক'ব বিচাৰিছে, আজি যোল্ল
মোৰ সময় শেষ মোক যাবলৈ দিয়া
কি মায়াময় হৈ উঠে ৰাতিবোৰ কেতিয়াবা
সময় থমকি ৰয়, থমকি পৰে জোন, বেলি, তৰা
জোনে যেন অনুভৱ কৰে গৰ্বেৰে
পৃথিৱীক দি এনে মায়াৰী জোনাক নিশা
যাদুকৰী জোনাক নিশা, হেডফোনত শুনি আছোঁ
পাপনদাৰ আবহ সংগীত
যেন শুই পৰিছোঁ গানৰ তালে তালে
কি যে সুন্দৰ এই জোনাক নিশা
তথাপি বুকুৰে বিচাৰে সান্নিধ্য প্ৰিয়াৰ
এই জোনাক নিশা তাইলৈ বৰকৈ মনত পৰিছে
বাৰে বাৰে মোক আগৰ দিনলৈ সকিয়াই দিয়ে
হেঁচা মাৰি ধৰে সেই মোৰ অন্তৰংগ স্মৃতিয়ে
বহুতে এতিয়া হয়তো প্ৰেমিকাৰ সৈতে
ফোনত কথা পাতি আছে
আৰু বহুতে মোৰ দৰে সাৰে থাকি কবিতা লিখি আছে
কাঢ়ি লৈ এটা দীঘল হুমুনিয়াহ ।।

( গল্প )



# ঘাত-প্ৰতিঘাতৰ মাজেৰে জীৱনৰ সুখ-দুখ

ডলি কলিতা, তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

জন্ম হৈ এই পৃথিৱীলৈ আহিছোঁ। পৃথিৱীৰ গোন্ধ সুখ-দুখ, বায়ু-বতাহ আদি গ্ৰহণ কৰিলোঁ। নাজানো জন্ম হৈ নিজৰ লগতে কিমানৰ পাপ-পূণ্য কৰি এই পৃথিৱীলৈ আহিছিলোঁ। লাহে লাহে দিনবোৰ পাৰ হৈ গ'ল। ডাঙৰ হৈ পৰিলোঁ। ভাল-বেয়া, লাজ, ভয়-ভাৰ আদি সকলো বুজি চিনি পোৱা হ'লোঁ। তেতিয়া মোৰ বয়স বাৰ বছৰ। বাৰ বছৰ হোৱাৰ লগে লগে মোৰ জীৱনলৈ এটা ডাঙৰ ধুমুহা আহিছিল। সেই কথা মনত পৰিলে মোৰ এতিয়াও চকু সেমেকি উঠে। কিয় জানো, মোৰ এনেকুৱা লাগে যেন মই জন্ম হৈ কিবা ভুলেই কৰিলোঁ নেকি!

তেতিয়া মই ক্লাছ সপ্তমমানত পঢ়োঁ। মোৰ কাৰণে মা-দেউতা আৰু একমাত্ৰ ভাইটিয়ে মানুহৰ কেটেৰা মাত শুনিব লগা হৈছিল। তথাপি সিঁহতে সেইবোৰ কথাত মন দিয়া নাছিল। কাৰণ তেওঁলোকে জানিছিল এইবোৰ কথা শুনিলে মই কষ্ট পাম বা দুখ পাম। এদিন নিশা দেউতাই এজন মানুহক মোৰ কথা বেয়াকৈ কোৱা বাবেই বহুত মাৰিছিল। এইটো অৱশ্যে দেউতাৰ সপোন হে আছিল। সপোনতে দেউতাই এজন মানুহক মাৰি মাৰি এইবোৰ বলকি আছিল। তেতিয়া মই শুৱাৰপৰা উঠি শুনি আছিলোঁ। দেউতাৰ কথাবোৰ মই ভালকৈয়ে শুনিছিলোঁ। কথাবোৰ শুনি মই মানসিকভাৱে ভাগি পৰিছিলোঁ। ভাবিছিলোঁ যে মোৰ কাৰণে মা-দেউতা আৰু ভাইটিৰ শান্তি নোহোৱা হৈছে, ভালদৰে খোৱা-বোৱা কৰিব নোৱাৰা হৈছে। টোপনি নোহোৱা হৈছে। তেতিয়া মোৰ মনলৈ এটা ভাৱ আহিল। মই আত্মহত্যা কৰিম। মই যদি মৰি যাওঁ, মা-দেউতা, ভাইটিয়ে বেলেগৰ কথা শুনিবলগীয়া নহয়। মোৰ সেইটো ভুল সিদ্ধান্ত আছিল। মই জানো। কিন্তু মই মা-দেউতাক আৰু কষ্ট দিব বিচৰা নাছিলোঁ। মোৰ বাবে তেওঁলোকে আনৰ কথা শুনাটো মই বিচৰা নাছিলোঁ, যে মই দৃষ্টিহীন। তেতিয়া মোৰ একমাত্ৰ সাৰথি আছিল মোৰ ভাইটি। সি মোক বহুত মৰম কৰে, মোৰ বাবে বহুত চিন্তা কৰে। মানুহে মোৰ কথা বেয়াকৈ ক'লে সি সহ্য কৰিব

নোৱাৰে আৰু ওলোটাই খঙতে যি মন যায়, তাকে কয়। সি মোৰ বহুত মৰমৰ।

মই গান গাই ভালপাওঁ আৰু ঘৰতে গান গুণগুণাই থাকোঁ। মোৰ বহুত আশা আছিল যে মই এগৰাকী বিখ্যাত গায়িকা হ'ব পাৰিম। মোৰ মা-দেউতাহঁতে কিছুমান অনুষ্ঠানত গান গাবলৈ সুবিধা কৰি দিছিল। তেতিয়া আমাৰ গাঁৱৰ মানুহবোৰে মোক হাঁহিছিল। আৰু কৈছিল যে চকু থাকিও দেখা নাপায়, তাই গান গাইছে চোৱা, তাই হেনো বিখ্যাত গায়িকা হ'ব... আদি নানা ধৰণৰ কথাবোৰ। এই কথাবোৰ শুনি মোৰ মনটোত বহুত কষ্ট অনুভৱ হৈছিল। এইবোৰ দুখ মই কাকো প্ৰকাশ কৰি দেখুৱাব নোৱাৰোঁ। কিন্তু দুখ লাগিলেও মই নিজে সান্ত্বনা লৈছিলোঁ। মই যে দৃষ্টিহীন, মানুহটো এইবোৰ কথা ক'বই। ইমান দুখ কৰিনো কি লাভ।

**তিনি বছৰ পিছত—**

মোৰ বয়স পোন্ধৰ বছৰ হ'ল। মোৰ মেট্ৰিক পৰীক্ষা আহিল। তেতিয়া আমাৰ গাঁওখনত মইয়ে মেট্ৰিক পৰীক্ষা দিয়া একমাত্ৰ পৰীক্ষাৰ্থী। মই পৰীক্ষা দিলোঁ। তিনি মাহ উকলি গ'ল আৰু পৰীক্ষাৰ ফলাফলো ঘোষণা হ'ল। পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ দিনা মা মই আৰু ভাইটি ওলালোঁ স্কুললৈ, পৰীক্ষাৰ ৰিজাল্ট ল'বলৈ। বাটতে আমাৰ গাঁৱৰ এজন মানুহে দেউতাক মাত লগাই ক'লে— কি অ' প্ৰদীপ ছোৱালীৰ ফলাফল ল'বলৈ যাৱ নেকি, লাভ নাই যা, তাই এনেও পাছ নকৰে। দৃষ্টিহীন ছোৱালী, তাতে আকৌ তাই পৰীক্ষাত লিখাজনে যিহে লিখিছে। তেতিয়া মোৰ মনটো অলপো বেয়া লগা নাছিল। কাৰণ, মই জানিছিলোঁ যে মই ভালদৰে পাছ কৰিম। শেষত আমি স্কুল গৈ পালোঁ আৰু মই স্কুলৰ ভিতৰত আটাইতকৈ সৰ্বোচ্চ নম্বৰ লৈ পৰীক্ষাত উত্তীৰ্ণ হৈছোঁ বুলি ছাৰহঁতে মোক ক'লে। মোৰ মনটো বহুত ভাল লাগিছিল। মই আনন্দত মতলীয়া হৈ পৰিছিলোঁ। আমাৰ গাঁৱৰ মানুহবোৰে তেতিয়া মোক বুজি পাইছিল আৰু জানিছিল যে মই চকুৰেহে নেদেখো বাকী সকলো জ্ঞান-বুদ্ধি মোৰো আছে। তেতিয়া মানুবোৰে মোৰ পৰীক্ষাৰ ফলাফলক লৈ সুখী হৈছিল আৰু মোকো গাঁৱৰ অন্য ছোৱালীৰ দৰে মৰম কৰিছিল। আকোঁৱালি লৈছিল। তেতিয়া মোৰ বা আমাৰ মা-দেউতা ভাইটিৰ অনুভৱ হৈছিল যে জীৱনত সুখ-দুখ সদায় ঘাট-প্ৰতিঘাটৰ মাজেৰে পাৰ হয়। গাঁৱৰ মানুহৰ মৰম, ভালপোৱা, আশীৰ্বাদ আৰু মোৰ ঘৰখনৰ মৰমৰ সহাঁৰি লৈ মই আজি এজনী গায়িকা ৰূপে পৰিচিত হৈ মোৰ লক্ষ্যত উপনীত হ'লোঁ।।



( প্ৰবন্ধ )

# সুস্থ সমাজ গঠনত মাতৃৰ ভূমিকা

**হিয়া মজুমদাৰ, তৃতীয় যাণ্মাসিক**

**শিক্ষা বিভাগ**

---

"আইৰ সমান হ'ব কোন? নৈৰ সমান ব'ব কোন?"

এখন সমাজ যিবিলাক নীতি নিয়মৰ দ্বাৰা পৰিচালিত হয়, তাৰ উৎস হ'ল ঘৰখন আৰু এখন ঘৰৰ মূল চালিকা শক্তিয়েই হ'ল নাৰী। নাৰীৰ অবিহনে সৃষ্টিৰ কল্পনাই কৰিব নোৱাৰি। এগৰাকী নাৰীৰ সমাজ জীৱনত অপৰিসীম ভূমিকা আছে। এখন সুস্থ সমাজ গঠনত নাৰীৰ ভূমিকা অনস্বীকাৰ্য। এটি শিশুৰ সু চৰিত্ৰ গঠনত অৱদান আগবঢ়োৱা প্ৰথম গৰাকী নাৰী হ'ল আমাৰ 'মা'। এগৰাকী মাতৃয়ে দহমাহ দহদিন গৰ্ভধাৰণ কৰি সন্তান জন্ম দিয়ে আৰু সন্তান এটিৰ প্ৰতিপালন কেনেদৰে কৰিব লাগে বা কিদৰে প্ৰতিপালন কৰিলে সন্তানটি সু-চৰিত্ৰবান ব্যক্তি হিচাপে সমাজ এখনত প্ৰতিষ্ঠিত হ'ব পাৰিব, সেয়া কেৱল এগৰাকী মাতৃয়েহে জানে।

মাতৃৰ মৰম বা মাতৃস্নেহ হ'ল এক দৃশ্যমান ভগৱান স্বৰূপ। ইয়াৰ প্ৰভাৱ স্থায়ী আৰু সৰ্বব্যাপী। প্ৰতিগৰাকী উপযুক্ত মাতৃৰেই নিজৰ সন্তানৰ ওপৰত শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰে। বাল্যকালত সন্তানৰ মনত সুমুৱাই দিয়া সজ আচৰণ আৰু চিন্তাবোৰ পিছৰ জীৱনত তেওঁলোকৰ কাৰ্যত প্ৰতিফলিত হয়। সন্তানৰ প্ৰথম শিক্ষাগুৰুৱেই হৈছে মাতৃ। গতিকে এই শিক্ষাৰ পৰা সন্তানে যি চাৰিত্ৰিক বৈশিষ্ট্য লাভ কৰে, সেয়া কোনো পুথিগত বিদ্যাই প্ৰদান কৰিব নোৱাৰে। সাধাৰণতে শিশু এটাই পিতৃৰ সান্নিধ্যতকৈ মাতৃৰ সান্নিধ্য যথেষ্ট পৰিমাণে লাভ কৰে আৰু সেইকাৰণেই শিশুৰ আচৰণ আৰু কাৰ্যৰ ওপৰত মাতৃ এগৰাকীৰ প্ৰভাৱ বেছি পৰিলক্ষিত হয়। সেয়েহে শিশু এটাই নিজৰ অজ্ঞাতেই মাকক অনুসৰণ কৰিবলৈ ধৰে।

ল'ৰা-ছোৱালীৰ জীৱন গঢ়াৰ প্ৰথম শিক্ষাকেন্দ্ৰ হৈছে ঘৰখন। ঘৰখনৰ কথা ওলালে প্ৰথমে পিতৃ-মাতৃৰ কথা আৰু তাৰপিছত ঘৰত থকা বাকী আন সদস্যবোৰৰ কথা আহি পৰে যদিও মাতৃ গৰাকীৰ ওপৰতে নিৰ্ভৰ কৰে সন্তানটোৰ ভৱিষ্যত। এগৰাকী নাৰীৰ বাবে মাতৃ হ'ব পৰাটো গৌৰৱৰ



কথা । কিন্তু সঁচা অৰ্থত মাতৃত্বৰ গৌৰৱ অৰ্জন কৰাটো সহজসাধ্য নহয়। এগৰাকী মাতৃৰ বাবে গৌৰৱৰ কথা হ'ল সন্তানক সৎ, আদৰ্শবাদী, সু-নাগৰিক হিচাপে গঢ়ি তুলিব পৰাটোহে।

পিতৃৰ আচৰণে সন্তানৰ চৰিত্ৰ গঠন কৰে আৰু মাতৃৰ সু পৰিকল্পনাই সন্তানক প্ৰকৃত অৰ্থত মানুহ হিচাপে গঢ়ি তোলে। সেয়েহে মাতৃসকলে সেই দায়িত্ব মূৰ পাতি লৈ এখন সুস্থ সমাজ তথা এখন প্ৰগতিশীল দেশ গঠনত সজাগ হৈ উত্তৰ পুৰুষসকলক সু-শিক্ষাৰে সজপথ বাচি লৈ দেশৰ একো একোজন সু নাগৰিক কৰি গঢ়ি তোলাৰ দায়িত্ব হাতত ল'ব লাগিব। ল'ৰা-ছোৱালী বুজা হোৱাৰেপৰা স্বদেশ, স্বজাতি আৰু তেওঁলোকে যাতে তেওঁলোকৰ মাতৃভাষাক ভাল পায়, তাৰ প্ৰতি শিক্ষা দিব লাগে। স্বদেশ, স্বজাতি আৰু নিজ মাতৃভাষাৰ প্ৰতি থকা আগ্ৰহ, ভালপোৱাই হে সন্তানক দেশৰ প্ৰতি দায়িত্বশীল হৈ সু নাগৰিক হোৱাৰ পথ দেখুৱাই। সৰুৰেপৰা সন্তানক কৰ্ম সংস্কৃতিৰ শিক্ষা দিয়াটোও অত্যন্ত প্ৰয়োজন। এনে শিক্ষাৰ ফলস্বৰূপে সন্তানে নিজৰ ৰুচি অনুযায়ী শিক্ষা অৰ্জন কৰি জীৱিকাৰ পথ বিচাৰি ল'বলৈ সুবিধা লাভ কৰে আৰু অনেক ব্যস্ততাৰ মাজতো জীৱনটো উপভোগ কৰি নিজৰ লগতে আনকো সুখী কৰিব পাৰে।

সন্তানৰ সু-চৰিত্ৰ আৰু সজ আচৰণ গঠনত প্ৰশংসা আৰু শাস্তিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সন্তানে কৰা ভাল কাম, ভাল আচাৰ-ব্যৱহাৰ, প্ৰতিভা আদিৰ বাবে যদিহে সন্তানক নিয়ন্ত্ৰিত ৰূপত প্ৰশংসা কৰা যায়, তেন্তে সন্তানে ভৱিষ্যতলৈ অধিক ভাল প্ৰদৰ্শন কৰিবলৈ প্ৰেৰণা আৰু উৎসাহ লাভ কৰে। ঠিক তেনেদৰে সন্তানে যদি বেয়া কাৰ্য, অবাঞ্ছিত ফলাফল বা স্বভাৱ চৰিত্ৰত কিবা খুট দেখিলেই গালি গালাজ বা শাস্তি প্ৰদান কৰাতকৈ মৰম আৰু বুজনিৰে সন্তানক ভাল পথলৈ আনিবলৈ চেষ্টা কৰাটো খুবেই প্ৰয়োজন। যদিহে সন্তানক সৰু সৰু কথাতে শাস্তি প্ৰদান কৰা হয়, তেতিয়া সন্তানৰ মনত এক বিৰোধী ভাৱধাৰা গঢ় লৈ উঠে আৰু সন্তান সুপথে পৰিচালিত হোৱাৰ বিপৰীতে বিপথে পৰিচালিত হোৱা পৰিলক্ষিত হয়। প্ৰকৃতিৰ নিয়ম অনুসৰি ল'ৰা-ছোৱালীৰ শাৰিৰীক বিকাশ হয়। সকলো ল'ৰা-ছোৱালীয়ে নিজৰ বাল্য অৱস্থা এৰি যৌৱনৰ দুৱাৰডলিত ভৰি দিয়ে। এই সময়ছোৱাত কিশোৰ-কিশোৰীয়ে কি ভাল, কি বেয়া বুজিবলৈ অসমৰ্থ হৈ পৰে যাৰ ফলত তেওঁলোকে কিছুমান নল'বলগীয়া সিদ্ধান্ত লৈ পেলায়। সেয়েহে এই সময়ছোৱাত সকলো মাতৃয়ে তেওঁলোকৰ সন্তানক শাৰিৰীক বিকাশ সম্পৰ্কে যথোচিত জ্ঞান দিয়া উচিত।



বিভিন্ন ধৰণৰ মাৰাত্মক যৌন ৰোগ আদি সম্পৰ্কেও সম্পূৰ্ণকৈ ল'ৰা-ছোৱালীক জ্ঞান দি সজাগ আৰু সচেতন কৰি তেওঁলোকৰ ভৱিষ্যত নিৰাপদ কৰিব লাগে। যৌৱনপ্ৰাপ্ত সন্তানৰ অন্তৰৰ ভাৱ কেৱল এগৰাকী মাতৃয়েহে বুজিব পাৰে। সেয়ে সন্তানৰ মন বুজি সেইধৰণে শিক্ষা প্ৰদান কৰাটো এগৰাকী মাতৃৰ দায়িত্ব। বৰ্তমান সমাজত নিচাযুক্ত দ্ৰব্যই নৱ-প্ৰজন্মক পশু কৰাৰ উপক্ৰম ঘটাইছে। মদ, ভাং, বিড়ি, চিগাৰেটৰ উপৰিও অন্যান্য ড্ৰাগছ্‌ৰ দৰে দ্ৰব্য সেৱন কৰি ক্ষন্তেকৰ বাবে উত্তেজনা লাভ কৰিব পাৰে, কিন্তু সেৱনকাৰীয়ে পৰৱৰ্তী সময়লৈ শৰীৰত বৰবিহৰ বীজ কঢ়িয়াই লৈ ফুৰিব লগা হয়। সেই নৰক সদৃশ নিচা দ্ৰব্যৰ ঋনাত্মক দিশৰ বিষয়ে বুজাই দি সেইবোৰৰ পৰা আঁতৰি থাকিবলৈ সতৰ্ক কৰি দিয়াত মাতৃয়ে বিশেষ ভূমিকা পালন কৰি এখন নিকা তথা সভ্য সমাজ গঢ়াত অপৰিসীম অৰিহণা যোগাব পাৰে।

আজিৰ যুগ হ'ল বিশ্বায়ন আৰু তথ্য প্ৰযুক্তিৰ যুগ। য'ত বিচাৰিলেই ভাল শুদ্ধ সকলোবোৰ পোৱা যায়। নিজৰ দেশখনৰ, সমাজখনৰ, জাতিটোৰ যিবোৰ কৰ্মৰ দ্বাৰা সমৃদ্ধ হয়, তেনে কৰ্মহে আমি কৰিব লাগে। সঠিক সময়ত সন্তানক উচিত শিক্ষা দিলে সন্তান বিপথে যাব নোৱাৰে। যিখন ঘৰত ব্যক্তিসকলৰ মাজত প্ৰেম আৰু কৰ্তব্যবোধ বিৰাজমান, সেইখন ঘৰৰপৰা সমাজে সুস্থ ৰুচিবোধ সম্পন্ন নাগৰিক আশা কৰিব পাৰে। ভাৰতত নাৰীক দেৱীস্বৰূপ বুলি কোৱা হয়। এইখিনিতে আহি পৰে মাতৃ হিচাপে নাৰী এগৰাকীৰ গধুৰ দায়িত্ব। যিয়েই এই দায়িত্ববোধৰ প্ৰতি অধিক সজাগ হয়, তেৱেঁই এগৰাকী সফল মাতৃ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে।













# শেষ পৃষ্ঠা...

## কিতাপ পঢ়োঁ আহাঁ

**চন্দনজ্যোতি চুতীয়া**

নতুন কিতাপ এখন যেতিয়া হাতত তুলি লওঁ, মনটো কিবা এটা ভাল লাগি উঠে। কিতাপে নতুন চিন্তাৰ বাট মুকলি কৰি দিয়ে। কেৱল পাঠ্যপুথিৰ নিৰ্দিষ্ট কিতাপ কেইখনেই আমাক প্ৰকৃত মানুহ কৰি গঢ়ি তুলিব নোৱাৰে। বাহিৰৰ জগতখনৰ পৰিচয় লাভ কৰিবলৈ, সমানে সমানে আগবাঢ়িবলৈ আমি বিভিন্ন বিষয়ৰ কিতাপ পঢ়িবই লাগিব। 'হোমেন বৰগোহাঞি' য়ে 'কিতাপ পঢ়াৰ আনন্দ' গ্ৰন্থখনত কৈছে - " মানুহৰ সমগ্ৰ জ্ঞান-ভাণ্ডাৰৰ একমাত্ৰ সঁচাৰ কাঠি হৈছে কিতাপ, আৰু এই সঁচাৰ কাঠি যি কোনো মানুহেই হাত মেলিলেই ঢুকি পোৱাতে আছে।" গতিকে আমিনো নপঢ়ো কিয়?

কিতাপে যে কেৱল আমাক জ্ঞান প্ৰদান কৰে এনে নহয়, " কিতাপে মানুহক কু-সঙ্গ আৰু কু-কৰ্মৰ পৰা ৰক্ষা কৰাৰ উপৰিও মানসিক অৱসাদৰ পৰা ৰক্ষা কৰে। ই মানুহক সঙ্গ দিয়ে, শিক্ষা দিয়ে, আনন্দ দিয়ে। যি যি মানুহক এবাৰ কিতাপৰ নিচাই পাইছে, তেওঁক আন একো নিচাই টলাব নোৱাৰে।" (হোমেন বৰগোহাঞি)

বৰগোহাঞি দেৱৰ 'কিতাপ পঢ়াৰ আনন্দ', গ্ৰন্থখন যিকোনো মানুহেই পঢ়াটো অতিকে দৰকাৰী। তেতিয়াহে আমি- কিয় পঢ়িব লাগে, কেনেধৰণৰ কিতাপ পঢ়িব লাগে, পঢ়িলে কি লাভ হয় আদি কথাবোৰ ভালধৰণে বুজিব পাৰিম।

কনকসেন ডেকাই সম্পাদনা কৰা 'আধুনিক বিশ্বৰ এশগৰাকী মহান ব্যক্তি' আৰু 'এশখন মহৎ গ্ৰন্থ' কিতাপ দুখন সকলোৰে বাবে খুব প্ৰয়োজনীয়। কিতাপ দুখনৰ বিষয়ে বহলকৈ আলোচনা কৰাৰ প্ৰয়োজন নাই। কাৰণ শিৰোনাম দুটাই কিতাপ দুয়োখনৰ পৰিচয় বহন কৰি আছে। আমি যিমানেই কিতাপৰ জগতখনলৈ সোমাই গৈ থাকিম, সিমানেই নতুন নতুন বিষয়ৰ কিতাপৰ লগত আমাৰ পৰিচয় হ'ব। আমাৰ চিন্তাৰ পৰিধি বাঢ়িব, নিজৰ লগতে সমাজখনৰো উৎকৰ্ষ সাধন হ'ব।

কিছুমান কিতাপ অধ্যয়ন কৰিলে উপলব্ধি কৰা যায়, আমি কিমান তুচ্ছ চিন্তাৰ পিছত ঢপলিয়াই ফুৰি মূল্যৱান সময় আৰু শক্তি অপচয় কৰি আছোঁ। জীৱনৰ কঠিন সংগ্ৰামত জয়ী হ'বৰ বাবে, উৎসাহ আৰু অনুপ্ৰেৰণা লাভ কৰিবৰ বাবে আমি গ্ৰন্থ অধ্যয়ন কৰাটো নিতান্তই প্ৰয়োজনীয়। সম্প্ৰতি, আমাৰ নতুন প্ৰজন্ম সংঘাত আৰু প্ৰলোভনৰ দোমোজাত পৰি স্বকীয় চিন্তন তথা মতাদৰ্শ গঢ়াত দুৰ্বল হৈ পৰা পৰিলক্ষিত হৈছে। আমাৰ সজ্ঞান দৃষ্টি আঁতৰাই ৰখাৰ

উপকৰণ দিনকদিনে ইমান বৃদ্ধি পাইছে যে, জীৱনটোক সঠিকভাৱে গঢ়ি তুলিবলৈ এক ইতিবাচক চিন্তা বা ধ্যানৰ প্ৰয়োজন হৈছে। এনে এক প্ৰেক্ষাপটতে দুগৰাকী অসমীয়া লেখকে দুখন অত্যন্ত প্ৰাসংগিক, প্ৰেৰণাদায়ী গ্ৰন্থ প্ৰণয়ন কৰি উলিয়াইছে। ইয়াৰে প্ৰথমখন হৈছে - অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কমল মল্ল বুজৰবৰুৱাৰ **'তোমালোকে নিজৰ জীৱনটো নতুনকৈ গঢ়িব পাৰা'** আৰু আনখন হৈছে নগালেণ্ডৰ ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ ৰসায়ন বিজ্ঞানৰ সহকাৰী অধ্যাপকৰূপে কৰ্মৰত ড° নিৰ্মলা দেৱীৰ **'প্ৰবল ইচ্ছাশক্তি আৰু আত্মোৎকৰ্ষৰ সাধনা'**। আমি দুয়োখন কিতাপ পঢ়া উচিত। পৃথিৱীত এনে কিছুসংখ্যক মানুহৰ জন্ম হয়, যিয়ে অনেক প্ৰতিকূলতাৰ মাজতো অসাধাৰণ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে; অভ্যাস, অধ্যয়ন আৰু সাধনাৰে জীৱনজোৰা খ্যাতি আৰ্জিছে। মানুহে কেনেকৈ অসাধাৰণ সফলতা আৰু সৃষ্টিশীলতা আহৰণ কৰিব পাৰে, মানুহ অবিৰাম কৰ্মোদ্যমী হৈ থকাৰ মন্ত্ৰ কি, স্বকীয় চিন্তনৰ দ্বাৰা মানুহে কেনেকৈ নিজৰ জীৱন প্ৰসাৰিত কৰি তুলিব পাৰে - ইত্যাদিৰ প্ৰকৃত ৰসহ্য উদ্‌ঘাটনৰ প্ৰয়াস ড° নিৰ্মলা দেৱীৰ **'প্ৰবল ইচ্ছাশক্তি আৰু আত্মোৎকৰ্ষৰ সাধনা'** গ্ৰন্থখনত বিচাৰি পোৱা গৈছে। প্ৰকৃততে, জীৱনটোক ভালদৰে উপলব্ধি কৰিবলৈ, এক নিৰ্দিষ্ট লক্ষ্যৰ ফালে আগবাঢ়িবলৈ, আত্মোৎকৰ্ষৰ অব্যৰ্থ ভেটি নিৰ্মাণৰ বাবে এনেবোৰ গ্ৰন্থ অধ্যয়ন কৰাৰ বিশেষ প্ৰয়োজন আছে।












# মহাবিদ্যালয়ৰ ভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা




ক্ৰমে বাওঁফালৰপৰা- অসমীয়া বিভাগ, ইংৰাজী বিভাগ, শিক্ষা বিভাগ, তথ্য আৰু প্ৰযুক্তিবিদ্যা বিভাগ, ইতিহাস বিভাগ, ৰাজনীতি বিজ্ঞান বিভাগ

# চিত্ৰকৰ্ম আৰু আলোকচিত্ৰ



ঋষিকেশ দাস
তৃতীয় ষাণ্মাসিক
শিক্ষাতত্ত্ব বিভাগ




ডলি কলিতা
তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ



ডলি কলিতা
তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ



নিশা মনি পাটোৱাৰী
তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

# ভিন্ন সময়ৰ কথকতা

































